# দার্শনিক পৰামৰ্শদানৰ পৰিচয়

(*) পৰামৰ্শ দান মানে কি ? পৰামৰ্শদানৰ অৰ্থ ব্যাখ্যা কৰা ?

⇒ ব্যক্তিৰ সামাজিক আৰু মানসিক কল্যানৰ উদ্দেশ্যে প্ৰদান কৰা উপদেশ বা পৰামৰ্শই হ'ল পৰামৰ্শদান।

অসমীয়া 'পৰামৰ্শদান' শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'counselling'। এই 'counselling' শব্দটোৰ ক্ৰিয়া পদ হৈছে 'counsel' আৰু 'counsel' শব্দটো লেটিন ভাষাৰ 'consilium'ৰ পৰা আহিছে। 'consilium' শব্দটোৰ অৰ্থ হ'ল 'উপদেশ বা পৰামৰ্শ'। গতিকে বুৎপত্তিগত দিশৰ পৰা পৰামৰ্শদান বুলিলে বুজায় 'পৰামৰ্শ প্ৰদান কৰা' বা 'পৰামৰ্শ গ্ৰহণ কৰা কাৰ্য'। উদাহৰণস্বৰূপে - কোনো এজন মনোবিজ্ঞানীয়ে বা চিকিৎসকে তেওঁ ৰোগীক দিয়া পৰামৰ্শ, উকিলে তেওঁৰ মক্কেলক দিয়া পৰামৰ্শ আদি হ'ল পৰামৰ্শদান।

পৰামৰ্শ দাতাৰ পৰামৰ্শ অনুসৰিয়ে ব্যক্তিয়ে তেওঁৰ জীৱনৰ গতিপথ সলনি কৰিব পাৰে অথবা জীৱনৰ কিছুমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। কিন্তু পৰামৰ্শ গ্ৰহণৰ ক্ষেত্ৰত ব্যক্তিৰ এক সক্ৰিয় ভূমিকা থাকে। পৰামৰ্শদান প্ৰক্ৰিয়াত ব্যক্তিৰ ইচ্ছা, আগ্ৰহ, আন্তৰিকতা আৰু মানসিক প্ৰস্তুতিৰ প্ৰয়োজন হয়। আনফালে, পৰামৰ্শ দাতাও নিজৰ ব্যক্তিগত অভিজ্ঞতা, জ্ঞান, আন্তৰিকতা আৰু সহানুভূতিৰ সৈতে পৰামৰ্শ প্ৰদান কৰা উচিত। গতিকে পৰামৰ্শদান হ'ল

এনে এক প্ৰক্ৰিয়া যিয়ে এজনে ব্যক্তিক নিজাকে বুজি পোৱাত সহায় কৰে আৰু নিজৰ বৰ্তমান আৰু সম্ভাব্য ভৱিষ্যত পৰিস্থিতি বুজি পোৱাত সমৰ্থ কৰে।

——×——

⊛ পৰামৰ্শদানৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা ?

⇒ পৰামৰ্শদানৰ অৰ্থ আৰু সংজ্ঞাসমূহ বিচাৰ কৰিলে কিছুমান বৈশিষ্ট্য পোৱা যায়। এই বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল —

① পৰামৰ্শদান হ'ল এক মুখামুখী সম্বন্ধৰ প্ৰক্ৰিয়া :—

পৰামৰ্শদান প্ৰক্ৰিয়াত পৰামৰ্শদাতা আৰু পৰামৰ্শগ্ৰহীতাৰ মাজত এক মুখামুখী সম্পৰ্ক স্থাপিত হয়। ইয়াত দুজনে ব্যক্তি সমস্যা সমাধানৰ বাবে প্ৰত্যক্ষভাৱে মিলিত হয়।

② পৰামৰ্শদান হ'ল এক পেচাদাৰী সেৱা :—

পৰামৰ্শদান হ'ল এক পেচাগত কাৰ্য যি অভিজ্ঞ প্ৰশিক্ষণপ্ৰাপ্ত পৰামৰ্শদাতাৰ দ্বাৰা সংঘটিত হয়।

③ পৰামৰ্শদান হ'ল সমস্যাকেন্দ্ৰিক :—

পৰামৰ্শদান সমস্যাকেন্দ্ৰিক ; কাৰণ ইয়াত ব্যক্তিগত, সামাজিক, শৈক্ষিক আৰু বৃত্তিগত সমস্যাবোৰলৈ আলোচনা কৰি তাৰ এটা সুষ্ঠু সমাধানৰ চেষ্টা কৰা হয়।

④ পৰামৰ্শদান হ'ল এক ধাৰাবাহিক প্ৰক্ৰিয়া :-

পৰামৰ্শদান হ'ল অবিৰত প্ৰক্ৰিয়া। মানুহে প্ৰতিনিয়ত কিবা নহয় কিবা ভুল বা অনুপযোগী কৰ্ম কৰে। এইবোৰ সংশোধন কৰাৰ বাবে পৰামৰ্শদান প্ৰক্ৰিয়াৰ প্ৰয়োজন আছে।

⑤ পৰামৰ্শদান হ'ল আত্মবিশ্লেষণৰ এক প্ৰক্ৰিয়া :-

পৰামৰ্শদানৰ ফলত পৰামৰ্শ গ্ৰহীতাই আত্মবিশ্লেষণ আৰু আত্ম অনুসন্ধান কৰিবলৈ শিকে। ইয়াৰ ফলত পৰামৰ্শ গ্ৰহণকাৰীয়ে নিজৰ সফলতা, দুৰ্বলতা, সক্ষমতা, সম্ভাৱনীয়তাসমূহৰ প্ৰতি সজাগ হয় আৰু আত্ম উপলব্ধি কৰিব পাৰে।

⑥ পৰামৰ্শদান হ'ল এক ব্যক্তিকেন্দ্ৰিক প্ৰক্ৰিয়া :-

পৰামৰ্শদান কাৰ্য দলগতভাৱে প্ৰদান কৰা নহয়, ইয়াত সমস্যাসমূহ ব্যক্তিকেন্দ্ৰিক হোৱা বাবে পৰামৰ্শদান কাৰ্য ও ব্যক্তিগতভাৱে প্ৰদান কৰা হয়।

⑦ পৰামৰ্শদান এক জটিল প্ৰক্ৰিয়া :-

পৰামৰ্শদান এক কঠিন প্ৰক্ৰিয়া কিয়নো ইয়াৰ দ্বাৰা কেৱল মানুহৰ মানসিক সমস্যাৰ সমাধান কৰা হয়।

⑧ পৰামৰ্শদান জীৱনৰ লগত সম্বন্ধিত :-

পৰামৰ্শদান মানুহৰ জীৱনৰ লগত ঘনিষ্ঠভাৱে যুক্ত। পৰামৰ্শদান কাৰ্যই প্ৰত্যক্ষ বা পৰোক্ষভাৱে মানুহৰ ব্যক্তিগত জীৱনত আমূল পৰিৱৰ্তন সাধিত কৰে। পৰামৰ্শদান কাৰ্য মানুহৰ ব্যক্তিগত সমস্যাসমূহ সমাধান কৰি এটি সুন্দৰ আৰু সুখী জীৱন প্ৰদান কৰিব পাৰে।

(*) পৰামৰ্শদানৰ লক্ষ্য আৰু উদ্দেশ্য ব্যাখ্যা কৰা ? (5)

⇒ পৰামৰ্শদানৰ কিছুমান বিশেষ লক্ষ্য আৰু উদ্দেশ্য আছে। সেইসমূহ তলত চমুকৈ উল্লেখ কৰা হ'ল —

(1) ব্যক্তিৰ সমস্যা সমাধানৰ বাবে প্ৰয়োজনীয় তথ্য সৰবৰাহ কৰা।

(2) ব্যক্তিৰ আগ্ৰহ, চাহিদা আৰু ক্ষমতাবোৰ চিহ্নিত কৰা আৰু সেই অনুসাৰী তেওঁলোকক বিভিন্ন পেছাত নিয়োজিত হ'বলৈ সহায় কৰা।

(3) পৰামৰ্শ গ্ৰহণকাৰীৰ লগত সম্পৰ্ক স্থাপন কৰা।

(4) পৰামৰ্শ গ্ৰহীতাক তেওঁৰ নিজৰ সমস্যা সমাধানৰ বাবে পৰিকল্পনা গ্ৰহণ আৰু ৰূপায়ণত সহায় আগবঢ়োৱা।

(5) ব্যক্তিৰ মানসিক ক্ষমতাৰ বিকাশ সাধন কৰা।

(6) ব্যক্তিক লক্ষ্যত উপনীত হ'বলৈ উৎসাহিত কৰা।

(7) ব্যক্তিৰ আত্ম-বিশ্লেষণত সহায় কৰা; অৰ্থাৎ ব্যক্তিক নিজৰ দোষ - গুণবোৰ বিচাৰ কৰাত সক্ষম কৰি তোলা।

(8) ব্যক্তিৰ অন্তৰ্দৃষ্টি জাগ্ৰত কৰাত সহায় কৰা।

(9) শিক্ষাৰ্থীসকলৰ অসংগতিমূলক আচৰণ সংশোধনত সহায়তা প্ৰদান কৰা।

⊛ দাৰ্শনিক পৰামৰ্শদান কাক বোলে ? ইয়াৰ অৰ্থ ব্যাখ্যা কৰা ?

⇒ দাৰ্শনিক পৰামৰ্শদান হ'ল প্ৰশিক্ষিত দাৰ্শনিকৰ দ্বাৰা গঠিত এক ব্যৱস্থা , য'ত ব্যক্তিৰ জীৱনৰ সমস্যা বা কোনো বিষয়ৰ ওপৰত সহায় আগবঢ়োৱা হয় । দৰ্শনৰ এক অন্যতম বিভাগ প্ৰায়োগিক দৰ্শনৰ পৰা দাৰ্শনিক পৰামৰ্শদানৰ নতুন ধাৰণাটো উদ্ভৱ হৈছে । ইয়াক "দাৰ্শনিক চিকিৎসা" বা 'আৰোগ্যমূলক দৰ্শন' বুলিও কোৱা হয় ।

দাৰ্শনিক পৰামৰ্শ দানতকৈ সাধাৰণতে দাৰ্শনিক চিকিৎসা শব্দটো ব্যৱহাৰ কৰা হয় । কিন্তু দাৰ্শনিক পৰামৰ্শদানত অন্য চিকিৎসা পদ্ধতিৰ বিপৰীতে পৰামৰ্শ গ্ৰহীতাৰ স্বাভাৱিক অৱস্থা সম্পৰ্কে কোনো আদৰ্শগত ধাৰণা (পৰীক্ষা?) কৰাৰ ব্যৱস্থা নাথাকে । সেইকাৰণে বহুতো দাৰ্শনিক পৰামৰ্শকে দাৰ্শনিক পৰামৰ্শদানক এটি চিকিৎসা বা থেৰাপি হিচাপে গণ্য কৰিবলৈ অসন্মতি ব্যক্ত কৰে । দাৰ্শনিক পৰামৰ্শদানক দাৰ্শনিক দৃষ্টিকোণৰ পৰা মানৱ জীৱনৰ বিভিন্ন সমস্যা সমাধানৰ এটি বিকল্প বা পৰিপূৰক পন্থা হিচাপে দাৰ্শনিক পৰামৰ্শদান বা চিকিৎসা আগবঢ়োৱা হয় ।

দাৰ্শনিক পৰামৰ্শদাতাই প্ৰায়ে তেনেই ব্যক্তিৰ লগত সম্পৰ্কিত হয় - যিসকলে ইতিমধ্যে কোনো পৰামৰ্শদাতাৰ সহায় লৈছে । তেওঁ দেখে যে এনে ব্যক্তিৰ মন সদায় সুস্থ থাকে কিন্তু তেওঁৰ চিন্তা - মেলিমেলি সন্দৰ্ণ আৰু বাধাপ্ৰাপ্ত । দাৰ্শনিক পৰামৰ্শদাতাসকলে বুজিব পাৰে যে বেছিভাগ মানুহে

অপৰীক্ষিত ধাৰণা আৰু মূল্যৰ ওপৰত জীয়াই থাকে যিয়ে ব্যক্তিৰ চিন্তা আৰু আচৰণক বিভ্ৰান্তিকৰ কৰে আৰু ভয়ংকৰ ভাৱে প্ৰভাৱিত কৰে। দাৰ্শনিক পৰামৰ্শদাতাসকলে এই ক্ষেত্ৰত অলাগি কথোপকথন বা আলোচনাৰ মাধ্যমত ব্যক্তিক তেওঁৰ চিন্তাৰ প্ৰতি সচেতন কৰিবলৈ যত্ন কৰে।

দাৰ্শনিক পৰামৰ্শদাতাৰ উদ্দেশ্য কেৱল ব্যক্তিৰ তৎক্ষণিক সমস্যাৰ সমাধান কৰি তেওঁৰ নিজস্ব পথত আগবঢ়াই দিয়াই নহয়, দাৰ্শনিক পৰামৰ্শদাতা এজনে এনেদৰে শিক্ষিত কৰিব বিচাৰে যাৰ ফলত ব্যক্তিয়ে যাতে নিজে সু-শিক্ষিত দাৰ্শনিক চিন্তাৰে সমস্যাবোৰ সমাধান কৰিবলৈ সক্ষম হয়। দাৰ্শনিক পৰামৰ্শদান হ'ল মানৱ জীৱনৰ পৰম সত্যসমূহ বিশ্লেষণ আৰু উপলব্ধি কৰাৰ ক্ষেত্ৰত জীৱনৰ বিভিন্ন সমস্যাসমূহৰ সমাধানৰ উদ্দেশ্যে দাৰ্শনিক নীতিসমূহ আৰু পদ্ধতিসমূহৰ যথাযথ প্ৰয়োগ সম্বন্ধীয় এক দাৰ্শনিক অধ্যয়ন।

গতিকে দেখা যায় যে, দাৰ্শনিক পৰামৰ্শদান হ'ল এক সুস্থ, বিচাৰশীল চিন্তাপদ্ধতি যাৰ দ্বাৰা বাস্তৱ জীৱনত নানা সমস্যাত ভোগী থকা ব্যক্তিসকলক এক সুস্থিৰ জীৱন পথ দেখুওৱা হয়। দাৰ্শনিক পৰামৰ্শদানত সহায়ত জীৱনৰ সকলো সমস্যাক পৰীক্ষা কৰি এটি সুস্থ আৰু উন্নত জীৱন যাপন কৰাও সম্ভৱ হয়।